**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-09-2026
**Time :** 0705 PM

ASSAMESE MORNING NSD BULLETIN
**HEADLINES**
**:::::::::::::::::::**

১। অষ্টাদশ ব্ৰিকছ্ শীৰ্ষ সন্মিলন নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'ব।

২। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আঞ্চলিক স্বাস্থ্য সহযোগিতা সুদৃঢ় কৰা আৰু উন্নত স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে।

৩। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰস্তাৱিত নতুন বীজ আইনৰ অধীনত কৃষকসকলৰ অধিকাৰ সম্পূৰ্ণ সুৰক্ষিত থাকিব বুলি মন্তব্য কৰিছে।

৪। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে ভাৰতক গোলকীয় বিকাশৰ অন্যতম চালিকাশক্তি বুলি অভিহিত কৰিছে।

*আৰু*

৫। ভাৰতে মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

অষ্টাদশ ব্ৰিকছ্ শীৰ্ষ সন্মিলন নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'ব। এই দুদিনীয়া সন্মিলনৰ বাবে প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে। এই সন্মিলনত ব্ৰাজিল, চীন, ইথিওপিয়া, ইজিপ্ত, ইণ্ডোনেছিয়া, ভাৰত, ৰাছিয়া, ইৰাণ, চৌদি আৰব, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ ইউ এ ই -সহ ১১খন গুৰুত্বপূৰ্ণ বিকাশশীল অৰ্থব্যৱস্থাৰ দেশে অংশগ্ৰহণ কৰিব। ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে - স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছা, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি, ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়াণ্টো, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ান আৰু ইথিওপিয়াৰ প্ৰধানমন্ত্ৰী আবি মহম্মদ আলী সন্মিলনত উপস্থিত থাকিব। ব্ৰাজিলৰ বিদেশ মন্ত্ৰী মাউৰু ভিয়েইৰা আৰু চৌদি আৰবৰ বিদেশ মন্ত্ৰী প্ৰিন্স ফেইজাল বিন ফৰহান অল চৌদে দেশ দুখনক সন্মিলনত প্ৰতিনিধিত্ব কৰিব। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিম আৰু ভিয়েটনামৰ প্ৰধানমন্ত্ৰী লে মিন্হ্ হংগেও সন্মিলনত অংশ ল'ব। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্ট'নিঅ' গুটেৰেছ, বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰোছ অঘানম ঘেব্ৰেয়ছছ আৰু নিউ ডেভেলপমেণ্ট বেংকৰ অধ্যক্ষ দিলমা ৰুছেফ সহ কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ মুৰব্বীয়েও সন্মিলনত ভাগ লোৱাৰ কথা। প্ৰধানমন্ত্ৰী ৰনেদ্ৰ মোদী সন্মিলনৰ আপাহতে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ সম্ভাৱনা আছে। সন্মিলনত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি আৰু ব্ৰাজিলৰ বিদেশ মন্ত্ৰী যোৱা নিশা দিল্লীত উপস্থিত হয়। দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি আজি পুৱা নতুন উপস্থিত হ'ব। ইৰাণ, ইণ্ডোনেছিয়া, ইজিপ্ত, ফিলিপাইনছ্ আৰু বুৰুণ্ডিৰ ৰাষ্ট্ৰপতি, আবুধাবিৰ যুৱৰাজ তথা মালয়েছিয়া আৰু ইথিওপিয়াৰ প্ৰধানমন্ত্ৰীয়েও সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে আজি নতুন দিল্লীত উপস্থিত হোৱাৰ কথা। প্ৰধানমন্ত্ৰী মোদী সন্মিলনৰ আপাহতে এলানি দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

ooooo

প্ৰস্তাৱিত নতুন বীজ আইনৰ অধীনত কৃষকৰ অধিকাৰ সম্পূৰ্ণৰূপে সুৰক্ষিত থাকিব আৰু পৰম্পৰাগত বীজৰ জাতসমূহৰ ওপৰত কোনো নিষেধাজ্ঞা নাথাকিব বুলি কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। নতুন দিল্লীত কৃষক সংগঠনৰ নেতাসকলৰ সৈতে হোৱা বৈঠকত অধ্যক্ষতা কৰি তেওঁ এই মন্তব্য কৰে।

মন্ত্ৰীগৰাকীয়ে কয় যে, ১৯৬৬ চনৰ পুৰণি আইনখন বৰ্তমানৰ ভেজাল আৰু নিম্নমানৰ বীজৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হোৱাৰ বাবে পৰ্যাপ্ত নহয়। নতুন আইনখনে কৃষকসকলক পৰম্পৰাগত বীজ বিনিময় আৰু বিক্ৰী কৰাৰ স্বাধীনতা দিয়াৰ লগতে ৰাজ্যসমূহক স্থানীয় পৰিস্থিতিৰ উপযোগী বীজ মুকলি কৰাৰ অধিক ক্ষমতা প্ৰদান কৰিব। ইয়াৰ উপৰি প্ৰতিখন ৰাজ্যতে বীজ সুৰক্ষা পুঁজি গঠন কৰা হ'ব আৰু বীজৰ ক্ষেত্ৰত লোকচান হ'লে ১৫ দিনৰ ভিতৰত কৃষকক ক্ষতিপূৰণ দিয়া নিশ্চিত কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰিমাসিকত ভাৰতীয় অৰ্থব্যৱস্থাৰ বিকাশ হাৰ ৭ দশমিক ৮ শতাংশ হোৱাৰ পাছত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি -আই এম এফে ভাৰতক গোলকীয় বিকাশৰ অন্যতম চালিকাশক্তি বুলি অভিহিত কৰিছে। আই এম এফৰ যোগাযোগ বিভাগৰ সঞ্চালক জুলি ক'জেকে ইন্ধনৰ মূল্য আকস্মিক বৃদ্ধি সত্বেও সেৱা আৰু ৰপ্তানি খণ্ডৰ প্ৰদৰ্শনৰ বলত ভাৰতৰ বিকাশ হাৰ আশা কৰাতকৈ অধিক হোৱা বুলি প্ৰকাশ কৰিছে। ভাৰতৰ বিকাশৰ শেহতীয়া তথ্য, স্থূল অৰ্থনৈতিক তথ্য আৰু খাৰুৱা তেলৰ মূল্য বৃদ্ধিৰ ফলত এখন আগশাৰীৰ তেল আমদানিকাৰী ৰাষ্ট্ৰৰ ওপৰত পৰিব পৰা প্ৰভাৱ সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীমতী ক'জেকে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে ভাৰতৰ শেহতীয়া মুঠ ঘৰুৱা উৎপাদনৰ তথ্যত ঔদ্যোগিক উৎপাদনৰ নতুন সূচ্যাংক আৰু উৎপাদক মূল্য সূচ্যাংক শৃংখলা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ ফলত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ আগতীয়া অনুমান উন্নত হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে আই এম এফে ভাৰতৰ অৰ্থব্যৱস্থাৰ ওপৰত তেলৰ বৰ্ধিত মূল্যৰ প্ৰভাৱ নিৰীক্ষণ কৰি আছে বুলি উল্লেখ কৰি শ্ৰীমতী ক'জেকে কয় যে ইন্ধনৰ বৰ্ধিত মূল্যই তেল আমদানিকাৰী ৰাষ্ট্ৰসমূহৰ বাবে চাপৰ সৃষ্টি কৰে।

০০০০০

আমেৰিকাৰ ট্ৰাম্প প্ৰশাসনে চাকৰি হেৰুওৱাৰ পাছত এইচ-ৱান বি আৰু অন্যান্য কৰ্মসংস্থাপনভিত্তিক ভিছা ধাৰকসকলক আমেৰিকাত থাকিবলৈ দিয়া ৬০ দিনীয়া ৰেহাইৰ সময়সীমা প্ৰত্যাহাৰ কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই পদক্ষেপে নতুন নিয়োগকৰ্তা বিচাৰিবলৈ বা প্ৰব্ৰজন বিকল্প গ্ৰহণ কৰিবলৈ থকা সময়সীমা যথেষ্ট সংকুচিত কৰিব।

ৰাষ্ট্ৰীয় গৃহ নিৰাপত্তা বিভাগৰ এই প্ৰস্তাৱ কাৰ্যকৰী হ'লে ই-ৱান, ই-টু, এইচ-ৱান বি, এল-ৱান, অ'-ৱান আৰু টি-এন ভিছা শ্ৰেণীৰ অন্তৰ্গত লোকসকলৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হ'ব। ইয়াৰ ফলত চাকৰি বা যোগ্য কাৰ্যকলাপ শেষ হোৱাৰ লগে লগে এইসকল লোকে আমেৰিকা ত্যাগ কৰিব লাগিব। পুৰণি নীতি অনুসৰি নিয়োগকৰ্তাৰ কাৰ্যকাল শেষ হোৱাৰ লগে লগে দেশ এৰি যোৱাৰ নিয়মকে পুনৰ বাহাল কৰাৰ উদ্দেশ্যে এই প্ৰস্তাৱ লোৱা হৈছে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০

পূব কংগোৰ বুকাভু চহৰত কালি দুখন সংলগ্ন বিদ্যালয়ত সংঘটিত ভয়াৱহ অগ্নিকাণ্ডত কমেও ২৬ গৰাকী ছাত্ৰ-ছাত্ৰী নিহত হোৱাৰ লগতে কেইবাজনো লোক আহত হৈছে। দক্ষিণ কিভু প্ৰাদেশিক চৰকাৰে প্ৰকাশ কৰা মতে, নিহতসকলৰ মাজৰ ১৯ গৰাকী ছাত্ৰী আৰু ৭ গৰাকী ছাত্ৰ। মৃতকৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে।

চহৰখন নিয়ন্ত্ৰণ কৰা এম-25 বিদ্ৰোহী গোটৰ মুখপাত্ৰই জনোৱা মতে, এই ঘটনাত ২৪ গৰাকী ছাত্ৰ-ছাত্ৰী নিহত হৈছে আৰু ২৯ গৰাকী লোক স্থানীয় চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

স্থানীয় প্ৰশাসক তথ্য অনুসৰি, বিদ্যালয় দুখনলৈ জুই বিয়পি পৰাৰ পূৰ্বে কাষৰীয়া এটা ঘৰত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল। জুই লগাৰ প্ৰকৃত কাৰণ এতিয়াও জানিব পৰা হোৱা নাই যদিও চুবুৰীটো অত্যন্ত জনবহুল আৰু বেছিভাগ ঘৰেই কাঠৰদ্বাৰা নিৰ্মিত বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আঞ্চলিক স্বাস্থ্য সহযোগিতা সুদৃঢ় কৰা আৰু উন্নত স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে। শ্ৰীনাড্ডাই কালি টিমোৰ লেষ্টেত অনুষ্ঠিত বিশ্ব স্বাস্থ্য সংস্থাৰ দক্ষিণ-পূব এছিয়া আঞ্চলিক সমিতিৰ ৭৯ সংখ্যক অধিবেশনত ভাৰ্চুৱেল ব্যৱস্থাৰে সম্বোধন কৰি এই বিষয়ে সদৰি কৰে। শ্ৰীনাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে প্ৰাথমিক স্বাস্থ্য সেৱা সুদৃঢ় কৰাৰ লগতে জনসাধাৰণৰ বাবে গুণগত স্বাস্থ্য সেৱা সুলভ কৰি তোলাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। দূৰণিবটীয়া দুৰ্গম আৰু গ্ৰামাঞ্চলত দূৰ সংযোগ ব্যৱস্থাৰে চিকিৎসা প্ৰদানৰ বাবে ই-সঞ্জীৱনীৰ দৰে প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। অধিবেশনত ভাৰতক বিশ্ব স্বাস্থ্য সংস্থাৰ দক্ষিণ পূব এছিয়া আঞ্চলিক পুৰস্কাৰেৰে সন্মানিত কৰা হয়। মাতৃ আৰু নৱজাতকৰ টিটেনাছ ৰোগ নিৰ্মূল কৰা আৰু প্ৰাথমিক স্বাস্থ্য সেৱাৰ জৰিয়তে অসংক্ৰামক ৰোগ ৰোধ কৰাৰ উদ্দেশ্যে চলোৱা প্ৰচেষ্টাৰ স্বীকৃতিস্বৰূপে ভাৰতক এই সন্মানেৰে সন্মানিত কৰা হৈছে। শ্ৰীনাড্ডাই দেশৰ স্বাস্থ্যকৰ্মী বিশেষকৈ আগশাৰীৰ স্বাস্থ্য কৰ্মীসকলক এই পুৰস্কাৰৰ কৃতিত্ব প্ৰদান কৰে।

০০০০০

ভাৰতে মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰবেশ কৰিছে। ভাৰতে যোৱা নিশা ডুবাইত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশক ৪০ ৰাণত পৰাস্ত কৰে। বাংলাদেশে ১৫০ ৰাণৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১০৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ স্বৰ্ণা অকতাৰে সৰ্বাধিক ২২ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ দিপ্তী শৰ্মাই তিনিটা আৰু নন্দিনী শৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেটৰ বিনিময়ত ১৪৯ ৰাণ কৰে। ভাৰতৰ হৈ অ'পেনাৰ শ্বেফালী বাৰ্মাই ৪০টা বলত ৬৪ ৰাণ কৰে। শ্বেফালী বাৰ্মাক প্লেয়াৰ অব মেচ হিচাপে ঘোষণা কৰা হয়।

ডুবাইত আজি হ'বলগীয়া প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত পাকিস্তান শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। খেলখনৰ বিজয়ী দলটো দেওবাৰে ফাইনেলত ভাৰতৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত